**নৰমদাবেন মগনলাল ঠাক্কেৰ**

**বনাম**

**প্ৰাণজীৱনদাস মগনলাল ঠাক্কেৰ আৰু অন্যান্য**

**১০ ছেপ্টেম্বৰ, ১৯৯৬**

**[ন্যায়াধীশ কে. ৰামাস্বামী, ন্যায়াধীশ ফাইজান উদ্দিন আৰু ন্যায়াধীশ জি. বি. পট্টনায়ক]**

সম্পত্তি হস্তান্তৰ আইন, ১৮৮২ :

ধাৰা ১২২, ১২৩-দানপত্ৰ-উত্তৰদাতাৰ সপক্ষে দানপত্ৰৰ দলিল কাৰ্যকৰী কৰা হয়-আন এক দলিলৰ দ্বাৰা বাতিল কৰা হয়- ইয়াৰ পিছত আপীলকাৰী আৰু তেওঁৰ ককায়েকৰ সপক্ষে এখন ইচ্ছাপত্ৰ কাৰ্যকৰী কৰা হয়-চৰ্তসাপেক্ষ দলিল- দাতাৰ মৃত্যুৰ পিছত কাৰ্যকৰী হ'ব- মৃত্যুৰ আগতে তেওঁ দানপত্ৰৰ দলিল বাতিল কৰি ইচ্ছাপত্ৰ কাৰ্যকৰী কৰিছিল- মতপোষণ কৰা হয় যে দানপত্ৰৰ দলিলখন অকাৰ্যকৰী আৰু নিষ্ক্ৰিয় হৈ পৰে- বাতিল কৰা দলিলখনে দানপত্ৰৰ দলিলখন নিষ্ক্ৰিয় কৰে।

দেৱানী আপীল অধিকাৰক্ষেত্ৰ: ১৯৭৯ চনৰ দেৱানী আপীল নং ৩৫৫০

গুজৰাট উচ্চ ন্যায়ালয়ৰ এফ. এ. নং ৪২১/১৯৭৪ গোচৰত ১৩.৯.৭৯ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা

আপীলকাৰীৰ হৈ উপস্থিত আছে আৰ.পি. ভাট, কে.ভি. শ্ৰীকুমাৰ, শ্ৰীমতী ৰীমা ভাণ্ডাৰী, শ্ৰীমতী অলকা আগৰৱাল আৰু এম.এন. শ্ৰফ।

উত্তৰদাতাসকলৰ হৈ উপস্থিত আছে এছ.কে. ঢোলাকিয়া আৰু এইচ.এ. ৰাইচুৰা।

নায়ালয়ে তলত উল্লেখ কৰা আদেশ প্ৰদান কৰে:

বিশেষ অনুমতি প্ৰাপ্ত এই আপীল আবেদনখন গুজৰাট উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে ১৯৭৯ চনৰ ১৩ ছেপ্টেম্বৰত এফ. এ. নং ৪২১/৭৪ গোচৰত প্ৰদান কৰা ৰায়দানৰ পৰা উদ্ভৱ হৈছে। তথ্য অনুসৰি মতিলাল গোপালজী নামৰ এজন লোক বৰোদা চহৰৰ প্ৰতাপনগৰ অঞ্চলত অৱস্থিত ৰাজহ জৰীপ নং ১৭২/৮ হিচাপে চিনাক্ত কৰা সম্পত্তিৰ গৰাকী আছিল। সম্পত্তিটো হলৰ ১৫টা কোঠাৰে গঠিত এক অট্টালিকা আৰু অট্টালিকাৰ চাৰিওফাল মুকলি ভূমিৰে আগুৰি আছিল। আপীলকাৰীজন প্ৰথম প্ৰতিবাদীৰ ভগ্নী। মতিলাল গোপালজীয়ে ১৯৬৫ চনৰ ১৫ মে' তাৰিখে প্ৰতিবাদীৰ সপক্ষে দানপত্ৰ দলিল, প্ৰদৰ্শক নং ১১১ সম্পাদন কৰিছিল। তাৰ পিছত তেওঁ ১৯৬৫ চনৰ ৯ জুন তাৰিখে আন এখন দানপত্ৰৰ দলিল, প্ৰদৰ্শক নং ১৯৮ সম্পাদন কৰিছিল আৰু উক্ত দানপত্ৰ দলিল বাতিল কৰিছিল।১৯৬৬ চনৰ ১৭ মে'ত তেওঁ আপীলকাৰী আৰু আপীলকাৰীৰ আন এজন ভাতৃৰ সপক্ষে এখন ইচ্ছাপত্ৰ কাৰ্যকৰী কৰে। তাৰ দুদিন পিছত অৰ্থাৎ ১৯৬৬ চনৰ ১৯ মে'ত মতিলাল গোপালজীৰ মৃত্যু হয়। ফলত, সম্পত্তিসমূহৰ ওপৰত তেওঁৰ মালিকীস্বত্ব ঘোষণা আৰু আপীলকাৰী আৰু তেওঁৰ ভাতৃক ভাড়া সংগ্ৰহ কৰাত বাধা দিয়াৰ নিষেধাজ্ঞা বিচাৰি প্ৰতিবাদীয়ে দেৱানী ন্যায়াধীশ, চিনীয়ৰ ডিভিজন,বৰোদাৰ আদালতত গোচৰ দাখিল কৰে। বিচাৰ আদালতে ডিক্ৰী জাৰী কৰে। আপীলত এই আবেদন নিশ্চিত কৰা হয়।সেয়েহে, বিশেষ অনুমতিৰ দ্বাৰা এই আবেদন।

আপীলকাৰীৰ হৈ হাজিৰ হোৱা বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী আৰ. পি. ভাটে যুক্তি দিছিল যে দানপত্ৰ দলিল আৰু বাতিল কৰা দলিল পঢ়িলে দাতা আৰু গ্ৰহীতাৰ অভিপ্ৰায় স্পষ্টভাৱে বুজা যায়, অৰ্থাৎ দান সম্পূৰ্ণ হোৱা নাছিল। ই চৰ্ত সাপেক্ষ আছিল। তেওঁ সম্পত্তিটোৰ ওপৰত আজীৱন স্বত্ব সংৰক্ষিত কৰি ৰাখিছিল আৰু সম্পত্তিৰ দখল হস্তান্তৰ কৰা নাছিল; নতুবা গ্ৰহীতাই দানপত্ৰ খন গ্ৰহণ কৰা নাছিল, যাৰ ফলত, দানপত্ৰৰ দলিল খন অসম্পূৰ্ণ হৈ পৰে। যথাযথভাৱে বাতিল কৰা উপহাৰটো দাতাৰ জীৱনকালত অকাৰ্যকৰী হৈ পৰিছিল। তেওঁ সম্পত্তিটোৰ প্ৰতি আজীৱন স্বাৰ্থ বজাই ৰাখিছিল আৰু ইয়াৰ দখল হস্তান্তৰ কৰা নাছিল, নতুবা দাতাই উপহাৰটো গ্ৰহণ কৰা নাছিল। ফল স্বৰূপে, দানপত্ৰৰ দলিলখন অসম্পূৰ্ণ হয়। যিহেতু দানপত্ৰৰ দলিলখন সঠিকভাৱে বাতিল কৰা হৈছিল, সেয়েহে দাতাৰ জীৱনকালত ই অকাৰ্যকৰী হৈ পৰিছিল। ইয়াক দিয়াৰ এমাহৰ ভিতৰতে দাতাই বাতিল কৰিছিল।

পৰৱৰ্তী সময়ত তেওঁ আপীলকাৰী আৰু তেওঁৰ ভাতৃৰ সপক্ষে এক ইচ্ছাপত্ৰ কাৰ্যকৰী কৰিছিল। সেয়েহে নিম্ন আদালতে দানপত্ৰৰ দলিল কাৰ্যকৰী হৈ উঠিল বুলি বিশ্লেষণ কৰাত ভুল হৈছিল আৰু ১৯৬৫ চনৰ ১৫ মে’ তাৰিখে দানপত্ৰৰ দলিল কাৰ্যকৰী হোৱাৰ ফলত দাতা মতিলাল গোপালজীয়ে উপহাৰৰ পত্ৰ বাতিল কৰাৰ কৰ্তৃত্ব হেৰুৱাই পেলালে।উত্তৰদাতাৰ বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী ঢোলাকিয়াই কয় যে উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা মতামত আইনমতে শুদ্ধ। উল্লেখ আছে যে মতিলাল গোপালজীয়ে উত্তৰদাতাক কেৱল প্ৰতীকী দখলহে প্ৰদান কৰিছিল।তেওঁৰ ৰক্ষণাবেক্ষণৰ বাবে ভাড়া সংগ্ৰহ কৰাটোৱেই একমাত্ৰ অধিকাৰ আছিল, আৰু তেওঁৰ আৰু গিফ্ট ডীড বাতিল কৰাৰ কৰ্তৃত্ব নাছিল। তেওঁ যি সংৰক্ষণ কৰিছিল সেয়া আছিল তেওঁৰ ভৰণপোষণৰ বাবে ভাড়া সংগ্ৰহ কৰাৰ সম্পূৰ্ণ অধিকাৰ আৰু সেয়েহে ইয়াক প্ৰত্যাহাৰ কৰাৰ কোনো ক্ষমতা নাছিল। প্ৰত্যাহাৰ কৰা দলিলত থকা কথাবোৰ প্ৰাসংগিক নহয়। কেৱল দানপত্ৰৰ দলিলখনত থকা কথাবোৰহে বিবেচনা কৰিব লাগিব। ইয়াৰ পৰা স্পষ্টকৈ দেখা যায় যে মতিলাল গোপালজীয়ে দানপত্ৰৰ দলিলৰ বিষয়বস্তু হোৱা সম্পত্তিৰ ওপৰত নিজৰ অধিকাৰ আৰু স্বত্ব সম্পূৰ্ণৰূপে এৰি দিছিল। ফলস্বৰূপে, দানপত্ৰৰ দলিল বাতিল কৰাৰ তেওঁৰ কোনো কৰ্তৃত্ব নাছিল আৰু তেওঁৰ দ্বাৰা কাৰ্যকৰী কৰা ইচ্ছা পত্ৰ খনৰ (উইল) নিস্ক্ৰিয় হৈছিল। আমি প্ৰতিবাদকাৰীৰ যুক্তিত কোনো উপযুক্ততা বিচাৰি নাপাওঁ। এতিয়া এইটো সুপ্ৰতিষ্ঠিত আইনী স্থিতি যে নথিখন সামগ্ৰিকভাৱে আৰু সংগতি ৰাখি পঢ়িব লাগিব, নথিখনত থকা সকলো দফাক কাৰ্যকৰী কৰিব লাগিব যিয়ে নথিখন কাৰ্যকৰী কৰা ব্যক্তিসকলৰ উদ্দেশ্য প্ৰকাশ কৰে। দানপত্ৰৰ দলিলৰ প্ৰাসংগিক অংশটো তলত দিয়া ধৰণৰ:

"ওপৰত বৰ্ণনা কৰা ধৰণে উক্ত স্থাৱৰ সম্পত্তি, ভূমি মহলা, পথ, পানী নিষ্কাশনকে ধৰি অন্যান্য সকলো অধিকাৰ আৰু স্বত্বকে ইয়াৰ দ্বাৰা আপোনাক উপহাৰ দিয়া হৈছে। দখল তলত দিয়া চৰ্তসমূহৰ অধীনত আপোনাৰ হাতত গতাই দিয়া হৈছে, যিবোৰ, যেতিয়ালৈকে সূৰ্য্য আৰু চন্দ্ৰ জিলিকি থাকিব, আপুনি, আপোনাৰ উত্তৰাধিকাৰী আৰু আইনী প্ৰতিনিধিয়ে পালন কৰিব লাগিব।গতিকে এতিয়াৰ পৰা মোৰ, মোৰ উত্তৰাধিকাৰী বা আইনী প্ৰতিনিধিৰ উক্ত সম্পত্তিৰ ওপৰত কোনো অধিকাৰ নাই। আপুনি, আপোনাৰ উত্তৰাধিকাৰী আৰু আইনী প্ৰতিনিধিসকল ইয়াৰ একচেটিয়া মালিক হব। এই দলিলত উল্লেখ কৰা চৰ্তসমূহৰ অধীনত আপুনি আৰু আপোনাৰ উত্তৰাধিকাৰী

আৰু আইনী প্ৰতিনিধিসকলে উক্ত সম্পত্তি ইচ্ছামতে উপভোগ কৰাৰ, হস্তান্তৰ কৰাৰ বা ব্যৱহাৰ কৰাৰ অধিকাৰী হ'ব।মোৰ বাহিৰে, উক্ত সম্পত্তিৰ ওপৰত কাৰো অধিকাৰ, স্বত্ব বা অংশীদাৰিত্ব নাই : মই ইয়াক কোনো নথি-পত্ৰৰ জৰিয়তে বন্ধকত দিয়া নাই। যদি কোনোবাই ইয়াৰ ওপৰত কোনো অধিকাৰ দাবী কৰিবলৈ আগবাঢ়ি আহে তেন্তে মই সেই দাবী বা বিবাদ আঁতৰাই দিম। উক্ত সম্পত্তি আপোনাক এই চৰ্তত উপহাৰ দিয়া হয় যে আপুনি এই দান চুক্তি অনুসৰি সম্পত্তিৰ মালিক হ'ব। বৰ্তমান এই সম্পত্তিত ১৫টা কোঠা আছে। উক্ত কোঠাবোৰৰ পৰা পোৱা ভাড়া আৰু mesne profit আজীৱন লাভ কৰাৰ মোৰ উচিত অধিকাৰ আছে। মই জীয়াই থকালৈকে সম্পত্তিৰ পৰা হোৱা উপাৰ্জন লাভ কৰাৰ অধিকাৰী হম।গতিকে মই, সম্পাদনকাৰীয়ে উক্ত অট্টালিকা(কোঠা)বোৰ ভাড়াত দি বাকী সকলো ব্যৱস্থা কৰিবলৈ ভাড়াৰ পৰিমাণ গোটেই জীৱনজুৰি লাভ কৰাৰ অধিকাৰ থাকিব। সেইদৰে উক্ত সম্পত্তিটো মই জীয়াই থকালৈকে মোৰ দখলত থাকিব। গতিকে মই গোটেই জীৱনজুৰি উক্ত কোঠাবোৰৰ পৰা মধ্যৱৰ্তী লাভ সংগ্ৰহ কৰাৰ অধিকাৰ স্থায়ীভাৱে সংৰক্ষণ কৰি এই সম্পত্তিটো আপোনাক উপহাৰ দিছো। আৰু এই দানপত্ৰৰ দলিলৰ দ্বাৰা মই জীয়াই থকালৈকে আপোনাক সীমিত মালিকীস্বত্বৰ অধিকাৰ প্ৰদান কৰা হ'ব। মোৰ মৃত্যুৰ পিছত আপোনাৰ উক্ত সম্পত্তিটো হস্তান্তৰ কৰাৰ অধিকাৰ আছে। মই কোনো প্ৰকাৰে কাকো mesne profit সংগ্ৰহ কৰাৰ অধিকাৰ নিদিও। এই দলিলৰ যোগেদি আপুনি আপোনাৰ নামত উক্ত সম্পত্তি হস্তান্তৰ কৰিব পাৰিব। আপোনাৰ নামত উপৰোক্ত চৰ্তসমূহৰ অধীনত এই দানপত্ৰৰ দলিল কাৰ্যকৰী কৰা হ'ল।"

প্ৰত্যাহাৰ কৰা দলিলখনৰ প্ৰাসংগিক অংশত তলত দিয়া ধৰণৰ-

"মই ১৫.৫.৬৫ তাৰিখে, আপোনাৰ সপক্ষে ৯,০০০/-টকাৰ (ন হাজাৰ টকা) এখন চৰ্তসাপেক্ষ দানপত্ৰৰ দলিল কাৰ্যকৰী কৰিছো। উক্ত দলিলখন বৰোদাৰ উপ পঞ্জীয়কৰ কাৰ্যালয়ত বহী নং ১ ৰ ক্ৰমিক নং ২১৫৩ ত উপস্থাপন কৰা হৈছে আৰু ইয়াক ১৫.৫.৬৫ তাৰিখে পঞ্জীয়ন কৰা হৈছে। উক্ত দলিলত উল্লেখ কৰা সম্পত্তিৰ বৰ্ণনা তলত দিয়া ধৰণৰ:

"মই উক্ত সম্পত্তিৰ এখন চৰ্তসাপেক্ষ দানপত্ৰৰ দলিল আপোনাৰ নামত কাৰ্যকৰী কৰিছো। আপুনি মোক আমাৰ মাজৰ মৌখিক চৰ্তসমূহ পূৰণ কৰাৰ প্ৰতিশ্ৰুতি দিছিল।

কিন্তু সেই অনুসৰি দানপত্ৰৰ দলিল দিয়াৰ লগে লগে আপুনি উক্ত চৰ্তসমূহ পূৰণ কৰিবলৈ অস্বীকাৰ কৰিছিল। দান দিয়া সম্পত্তিৰ দখল আপোনাৰ হাতত গতাই দিয়া নহয়। আপুনি সম্পত্তিৰ চৰ্তসাপেক্ষ দান গ্ৰহণ কৰা নাই আৰু মইও চৰ্তসাপেক্ষ দান অনুসৰি কাম কৰিবলৈ ইচ্ছুক নহয়। উপহাৰ দিয়া সম্পত্তিৰ দখল আপোনাক হস্তান্তৰ কৰা হোৱা নাই, অৰ্থাৎ আপুনি চৰ্তসাপেক্ষ দান গ্ৰহণ কৰা নাই আৰু চৰ্তসমূহ মানি চলিবলৈ মইও অনিচ্ছুক।উক্ত চৰ্তসাপেক্ষ দানপত্ৰৰ দলিলত এইটোও উল্লেখ কৰা হৈছে যে মোৰ দখল থাকিব। আৰু সেই অনুসৰি মোৰ দখল অব্যাহত আছে। মোৰ দখল আৰম্ভণিৰ পৰাই আৰু ই স্থায়ী।আপুনি আমাৰ চৰ্ত অনুসৰি কাম কৰিবলৈ সাজু নহয়। সেয়েহে, আমাৰ মাজত চৰ্তসাপেক্ষ দলিলখন বাতিল কৰি এই দলিলখন তৎক্ষণাত কাৰ্যকৰী কৰিব লাগিব। সেয়েহে, মই ইয়াৰ দ্বাৰা উপ-পঞ্জীয়ক, বৰোদাৰ কাৰ্যালয়ত ১৫.৫.৬৫ তাৰিখে ক্ৰমিক নং ২১৫৩-ত পঞ্জীয়নৰ বাবে উপস্থাপন কৰা ৯,০০০/- টকাৰ (শব্দত ন হাজাৰ টকা) চৰ্তসাপেক্ষ দানপত্ৰৰ দলিলখন বাতিল কৰিছো।সেয়েহে, ১৫.৫.৬৫ তাৰিখৰ চৰ্তসাপেক্ষ দানপত্ৰৰ দলিলখন ইয়াৰ দ্বাৰা বাতিল কৰা হৈছে আৰু ই অৰ্থহীন।চৰ্তসাপেক্ষ দানপত্ৰৰ দলিলখনৰ অধীনত সম্পত্তিটো আপোনাৰ নামত হস্তান্তৰ কৰা হোৱা নাই আৰু কৰিব নালাগে। বৰ্তমান আৰু স্থায়ীভাৱে ই মোৰ নামত থাকিব।

সম্পত্তি হস্তান্তৰ আইন (চমুকৈ ক'বলৈ গ'লে "টি.পি. আইন")ৰ ধাৰা ১২২ অনুসৰি 'দান'ৰ অৰ্থ হ'ল স্থাৱৰ বা অস্থাৱৰ সম্পত্তি হস্তান্তৰ কৰা, যি সম্পত্তি এজন ব্যক্তিয়ে, যাক দাতা বুলি কোৱা হয়, স্বেচ্ছাই আৰু মূল্য নোলোৱাকৈ আন এজনক, যাক গ্ৰহীতা বুলি কোৱা হয় আৰু যি গ্ৰহণ কৰে, অৰ্পন কৰে।

দাতাজনৰ জীৱণ কালতে আৰু তেওঁ দিবলৈ সক্ষম হৈ থকা অৱস্থাতে দান কাৰ্য সম্পন্ন হ'ব লাগিব।এইদৰে স্পষ্ট হয় যে, দান কাৰ্য সম্পূৰ্ণ বুলি গণ্য কৰা হয় যেতিয়া এখন পঞ্জীয়নভুক্ত দানপত্ৰৰ দলিল কাৰ্যকৰী কৰি দান গ্ৰহণ কৰা হয় আৰু দান প্ৰদানৰ কৰা হয়।ইয়াৰ পিছত দাতাই মালিকীস্বত্ব হেৰুৱাই পেলায়, আৰু দান পাওঁতাজন সম্পত্তিৰ সম্পূৰ্ণ মালিক হৈ পৰে। প্ৰশ্নটো হ'ল: টি. পি. আইনৰ ধাৰা ১২৩-ৰ অধীনত প্ৰশ্ন উত্থাপন হোৱা দানটো সম্পূৰ্ণ হৈছিল নেকি? দানপত্ৰৰ দলিল পঢ়ি দেখা যায় যে মতিলাল গোপালজীয়ে প্ৰতিবাদীক সম্পত্তিটো দান দিছিল। অৰ্থাৎ, এইটো

এটা চৰ্তসাপেক্ষ দান আছিল। গ্ৰহণৰ কোনো কথা লিখা নাই আৰু গ্ৰহণৰ কোনো প্ৰমাণো নাই।একেদৰে তেওঁ স্পষ্টকৈ উল্লেখ কৰিছিল যে তেওঁ জীয়াই থকালৈকে সম্পত্তি তেওঁৰ দখলত থাকিব। ইয়াৰ পিছত, দান দিয়া সম্পত্তিটো সম্পূৰ্ণৰূপে তেওঁৰ হ'ব আৰু তেওঁ আজীৱন তাত থকা কোঠাবোৰৰ পৰা mesne profits সংগ্ৰহ কৰাৰ অধিকাৰ লাভ কৰিব। দানপত্ৰৰ দলিল ৰেচপনডেন্ট-গ্ৰহীতাক সীমিত অধিকাৰহে প্ৰদান কৰিছিল। দাতাৰ মৃত্যুৰ পিছতহে দানপত্ৰ কাৰ্যকৰী হ'ব। তেতিয়ালৈকে দাতাই সম্পত্তিটো দান হিচাপে হস্তান্তৰ কৰা বা mesne profits সংগ্ৰহ কৰাৰ অধিকাৰ ৰাখিছিল। এইদৰে দেখা যায় যে দাতাই চৰ্তসাপেক্ষ দানপত্ৰৰ দলিল কাৰ্যকৰী কৰিছিল আৰু তেওঁৰ জীৱনকালত সম্পত্তিৰ দখল আৰু উপভোগ অক্ষুণ্ণ ৰাখিছিল। বাতিল কৰা দলিলত থকা কথাৰ সৈতে দানপত্ৰৰ দলিলত থকা কথাৰ সামঞ্জস্য আছে। তেওঁ স্পষ্টভাৱে উল্লেখ কৰিছিল যে উত্তৰদাতাই তেওঁক প্ৰতাৰণা কৰিছিল আৰু তেওঁলোকৰ মৌখিক বুজাবুজিৰ চুক্তিবদ্ধ চৰ্তসমূহ পূৰণ কৰাত ব্যৰ্থ হৈছিল। ফলত তেওঁ উল্লেখ কৰে যে তেওঁক দিয়া চৰ্তসাপেক্ষ দান বাতিল কৰা হৈছে। তেওঁ লগতে স্পষ্ট কৰে যে তেওঁ জীৱনকালত সম্পত্তিৰ দখল আৰু উপভোগ তেওঁৰ লগত ৰাখিছিল। তেওঁ এইদৰে প্ৰকাশ কৰিছিল, "আমাৰ মাজৰ চৰ্তসাপেক্ষ দলিলখন বাতিল কৰি এই দলিলখন তৎক্ষণাত কাৰ্যকৰী কৰিব লাগিব। সেয়েহে, মই ইয়াৰ দ্বাৰা উপ-পঞ্জীয়ক, বৰোদাৰ কাৰ্যালয়ত ১৫.৫.৬৫ তাৰিখে ক্ৰমিক নং ২১৫৩-ত পঞ্জীয়নৰ বাবে উপস্থাপন কৰা ৯,০০০/- টকাৰ (শব্দত ন হাজাৰ টকা) চৰ্তসাপেক্ষ দানপত্ৰৰ দলিলখন বাতিল কৰিলো। ১৫.৫.৬৫ তাৰিখৰ উক্ত চৰ্তসাপেক্ষ দানপত্ৰৰ দলিলখন ইয়াৰ দ্বাৰা বাতিল কৰা হ'ল আৰু ই অৰ্থহীন।চৰ্তসাপেক্ষ উপহাৰৰ অধীনত থকা সম্পত্তি আপোনাৰ নামত হস্তান্তৰ কৰা হোৱা নাই আৰু হস্তান্তৰ কৰা নহব।এইদৰে তেওঁ স্পষ্ট কৰিছিল যে তেওঁ প্ৰতিবাদীক দখলটো গতাই দিয়া নাছিল বা দাতাৰ জীৱনকালত দানটো সম্পূৰ্ণ হোৱা নাছিল। দান কাৰ্য অকাৰ্যকৰী হৈ পৰিছিল।প্ৰশ্নটো হ'ল : আপীলকাৰীয়ে সম্পত্তিৰ অধিকাৰ লাভ কৰিবনে? ১৯৬৫ চনৰ ১৫ মে'ৰ চৰ্তসাপেক্ষ দানপত্ৰৰ দলিলখন যথাযথ অন্ত পেলাই ১৯৬৫ চনৰ ৯ জুন তাৰিখৰ cancellation deed কাৰ্যকৰী কৰাৰ দুদিন পিছত ১৯৬৫ চনৰ ১৭ মে'ত তেওঁৰ শেষ উইলখন কাৰ্যকৰী কৰি মৃত্যু হোৱাটো বিতৰ্কৰ বিষয় নহয়।

সেয়েহে, আপীল মঞ্জুৰ কৰা হৈছে।বিচাৰ আদালতৰ আৰু আপীল আদালত উভয়ৰে ৰায় আৰু ডিক্ৰী বাতিল কৰা হয়। ফলত গোচৰ খাৰিজ কৰা হয়।কিন্তু খৰচ আৰোপ কৰা হোৱা নাই।

------------------------------

*অনুবাদক-কংকনা বৰা, জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গুৱাহাটী উচ্চ ন্যায়ালয়*

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।"